কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/৩২/২০২২-২৩
*Ref :*

তাৰিখ : ০৬-০১-২০২৩
*Date :*

**অসম জাতীয় বিদ্যালয়ত বাৰ্ষিক খেল-ধেমালি প্ৰতিযোগিতাৰ শুভাৰম্ভ**

**জীৱনৰ প্ৰতিটো প্ৰত্যাহ্বানে আমাক একোটা শিক্ষা দিয়ে : মহানগৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰা**

**নুনমাটি, গুৱাহাটী, ৬ জানুৱাৰী ঃ** “ঘাত-প্ৰতিঘাতক নেওচি আগবাঢ়ি গ'লেহে জীৱনত কৃতকাৰ্য্য হ'ব পাৰি।” আজি নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালি প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠান আৰু মাৰ্চ-পাষ্ট প্ৰতিযোগিতাৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকি কামৰূপ মহানগৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাই এই মন্তব্য প্ৰকাশ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে পতাকা উত্তোলন কৰি আদৰণী ভাষণ আগবঢ়ায়। আজি ২০২০ শিক্ষাবৰ্ষৰ শ্ৰেষ্ঠ খেলুৱৈদ্বয় নিবিড় ৰঞ্জন বৰ্মন আৰু বৈশালী বশিষ্ঠই শিখা প্ৰজ্বলন কৰি বিদ্যালয় সপ্তাহৰ শুভাৰম্ভ কৰে। মাৰ্চ-পাষ্ট প্ৰতিযোগিতাত আজি বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীলৈ মুঠ ১০টা দলত ৩০৫ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। মুখ্য অতিথিগৰাকীয়ে প্ৰথমে মাৰ্চ-পাষ্ট প্ৰতিযোগিতাৰ প্ৰতিটো দল পৰিদৰ্শন কৰে আৰু অভিবাদন গ্ৰহণ কৰে। এই প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত আছিল ভাৰত স্কাউট-গাইডৰ ৰাজ্যিক সচিব আৰু প্ৰশিক্ষণ উপ-আয়ুক্ত অৰুণিমা দেৱী, ৰাষ্ট্ৰপতি ৰভাৰ প্ৰাপক, Explorer Associationৰ প্ৰাক্তন সম্পাদক পৰাগ শৰ্মা আৰু ভাৰত স্কাউট-গাইডৰ ৰভাৰ শাখাৰ ৰাজ্যিক আয়ুক্ত, ৰাষ্ট্ৰপতি ৰভাৰ প্ৰাপক উৎপল কুমাৰ দাস। প্ৰতিযোগিতাৰ বিচাৰক অৰুণিমা দেৱীয়ে শিক্ষাৰ্থীসকলৰ মাৰ্চ-পাষ্টৰ প্ৰদৰ্শন দেখি অতিশয় আনন্দিত হয় আৰু ফলাফল আশা নকৰি সকলোকে অনুশীলন কৰি যাবলৈ উপদেশ দিয়ে। আজিৰ এই মাৰ্চ-পাষ্ট প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে বিদ্যালয়ৰ একাদশ (কলা আৰু বিজ্ঞান) শ্ৰেণীৰ শিক্ষাৰ্থীৰ দলটোৱে। দ্বিতীয় পুৰস্কাৰ লাভ কৰে নৱম ‘গ+ঘ’ শাখাৰ শিক্ষাৰ্থীৰ দলে আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে নৱম ‘ক+খ’ শাখাৰ শিক্ষাৰ্থীৰ দলে। প্ৰতিযোগিতাত নৱম শ্ৰেণীৰ শিক্ষাৰ্থী আকিব মজিদে শ্ৰেষ্ঠ কামাণ্ডাৰৰ পুৰস্কাৰ লাভ কৰে। শ্ৰেষ্ঠ ফ্লেগ বেয়াৰাৰৰ পুৰস্কাৰ লাভ কৰে সপ্তম শ্ৰেণীৰ অংকুৰ দাসে আৰু শ্ৰেষ্ঠ প্লাকাৰ্ড বেয়াৰাৰৰ পুৰস্কাৰ লাভ কৰে একাদশ কলা শাখাৰ হৰ্ষিতা শইকীয়াই। উদ্বোধনী অনুষ্ঠানত বিদ্যালয়ৰ সচিব ডা° নাৰায়ণ শৰ্মাই শিক্ষাৰ্থীসকলৰ উদ্দেশ্যি কয় যে হিংসা-দ্বেষ, আঁৰিয়া-আঁৰিৰ মাজত শান্তি স্থাপন কৰে ক্ৰীড়াই। সেয়ে তেখেতে শিক্ষাৰ্থীসকলক খেলৰ অনুশীলন কৰি যোৱাৰ বাবে আহ্বান জনায়। আজিৰ মাৰ্চ-পাষ্ট প্ৰতিযোগিতাৰ আহ্বায়কৰ দায়িত্বত আছিল বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক পলাশ কুমাৰ নাথ। অহা ১১ জানুৱাৰীলৈ চলিব লগীয়া এই বাৰ্ষিক খেল-ধেমালি প্ৰতিযোগিতাৰ আহ্বায়কৰ দায়িত্বত আছে অসমীয়া বিভাগৰ শিক্ষক দীপক কোচ আৰু শাৰীৰিক শিক্ষা বিভাগৰ শিক্ষয়িত্ৰী কুসুম দিহিঙীয়া।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়